# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 21-04-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। গুৱাহাটী মহানগৰীৰ জলমগ্ন অঞ্চলসমূহৰ নলা-নৰ্দমা তাৎক্ষণিকভাৱে পৰিষ্কাৰ কৰিবলৈ ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাৰ নিৰ্দেশ।

২। পশ্চিমবংগত পৰহিলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযানৰ আজি সামৰণি।

৪। বীৰাংগনা সতী সাধনীৰ ৫০২ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰে পালন।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই কালি গুৱাহাটীৰ বান পৰিস্থিতিৰ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। মহানগৰীৰ ভালেমান অঞ্চলত ১২২ মিলিমিটাৰ পৰ্যন্ত বৰষুণ হোৱাৰ ফলত কিছু অঞ্চল এতিয়াও জলমগ্ন হৈ আছে। পৰ্যালোচনা বৈঠকত ৰাজ্যৰ মুখ্য সচিবগৰাকীয়ে ভাৰতীয় বতৰ বিজ্ঞান বিভাগ, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণক সময়ে সময়ে আগলি বতৰা জনসাধাৰণক অৱগত কৰিবলৈ নিৰ্দেশ দিয়ে। জনসাধাৰণে আগতীয়াকৈ সাৱধানতা অৱলম্বন কৰিব পৰাৰ সুবিধা হোৱাকৈ ৰাজ্যৰ মুখ্য সচিবগৰাকীয়ে এই বিভাগকেইটাক এই নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষক জলমগ্ন হোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ অঞ্চলসমূহৰ নলা নৰ্দমাসমূহ সময়মতে পৰিষ্কাৰ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে বৰষুণৰ ফলত সৃষ্টি হোৱা জটিল পৰিস্থিতিৰে মুখামুখি হোৱাৰ বাবে গুৱাহাটী পৌৰ নিগম, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আৰু জলসম্পদ বিভাগক ২৪ ঘণ্টাই সাজু হৈ থাকিবলৈ নিৰ্দেশ দিয়ে। মুখ্যসচিবগৰাকীয়ে লগতে লোক নিৰ্মাণ বিভাগক জলমগ্ন ঠাইসমূহৰ নৰ্দমাসমূহ পৰিষ্কাৰ হৈ থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ মহানগৰৰ সকলো নলা-নৰ্দমা নিৰ্ধাৰিত সময়ৰ ভিতৰত পৰিষ্কাৰ কৰিবলৈ নিৰ্দেশ দিয়া হয়। পৰ্যালোচনা বৈঠকত ৰাজ্যৰ মুখ্য সচিবগৰাকীয়ে মালিগাঁৱৰ মেনহলত পৰি মৃত্যু হোৱা মহিলাগৰাকীৰ বাবে ন্যায়িক তদন্ত ঘোষণা কৰে। মুখ্যসচিবগৰাকীয়ে লগতে মহানগৰীৰ অঞ্চলসমূহত স্বাভাৱিক জীৱন যাত্ৰা ঘুৰাই অনাৰ বাবে সংশ্লিষ্ট বিভাগসমূহক তাৎক্ষণিকভাৱে কাম কৰিবলৈ নিৰ্দেশ দিয়ে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জাৰি কৰা আগলি বতৰা অনুসৰি সকলো বিভাগ তথা কৰ্তৃপক্ষক বান সদৃশ পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। একেখন বৈঠকতে বিগত বৰ্ষত সংঘটিত হোৱা ভূমিস্খলনৰ ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনক মহানগৰীৰ

স্পৰ্শকাতৰ অঞ্চলসমূহত অধিক সতৰ্কতা অৱলম্বন কৰিবলৈ আৰু সকলোধৰণৰ সহযোগিতামূলক সঁহাৰি তথা প্ৰশমনমূলক আৰু সাহায্যৰ ব্যৱস্থা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

0000000

পশ্চিমবংগত পৰহিলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰ অভিযানৰ আজি অন্ত পৰিব। ভোটগ্ৰহণলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে ৰাজ্যখনৰ ভিন ভিন প্ৰান্তত নিৰ্বাচনী সমাৰেশ তথা ৰোড শ্ব'ত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে।

বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি শিলিগুৰি, পশ্চিম বৰ্ধমান, পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ জিলাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। ইফালে তৃণমূল কংগেছৰ নেত্ৰী আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি পূব মেদিনীপুৰ, বাৰাকপোৰ, চৌবিবশ পৰগনা জিলাৰ জগতদল আৰু কলকাতাৰ জোৰাসাকোত দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিব। আজিৰ সভাত আন্যান্য বিভিন্ন দলৰ ৰাজনৈতিক নেতাসকলেও অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৩ কোটি ৬০ লাখ ৭৭ হাজাৰ ১৭১ গৰাকী ভোটদাতাই তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব।

0000000

আজি অসামৰিক সেৱা দিৱস। দেশৰ প্ৰশাসনিক কাৰ্যক সুচাৰুৰূপে পৰিচালনা কৰা চৰকাৰী বিষয়াসকলৰ কৰ্মৰাজিক সন্মান জনাবলৈ প্ৰতিবছৰে ২১ এপ্ৰিলত অসামৰিক সেৱা দিৱস উদযাপন কৰি অহা হৈছে। স্বাধীন ভাৰতৰ প্ৰথমগৰাকী গৃহমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলে ১৯৪৭ চনৰ আজিৰ দিনটোতে দিল্লীৰ মেটকাফ হাউচত প্ৰশাসনিক বিষয়াসকলৰ সৈতে মত বিনিময় কৰিছিল। সেই দিনটোক স্মৰণ কৰিয়েই ২০০৬ চনৰ পৰা প্ৰতি বছৰে এই দিৱস উদযাপন কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- **বিকশিত ভাৰত ঃ নাগৰিক কেন্দ্ৰীক প্ৰশাসন আৰু প্ৰান্তীয় অঞ্চলত বাস কৰা লোকৰ উন্নয়ন সাধন**।

অসামৰিক সেৱা দিৱস উপলক্ষে আজি গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

অষ্টাদশ অসামৰিক সেৱা দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি নতুন দিল্লীত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেন্সন মন্ত্ৰালয়ৰ অধীনৰ প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগে আয়োজন কৰা এই অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতিয়ে কয় যে, অসামৰিক সেৱাৰ চৰকাৰৰ পৰিকল্পনা আৰু নীতি সমূহ তৃণমূল পৰ্যায়ত কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ কয়, যে চৰকাৰৰ পৰিকল্পনাসমূহ দেশৰ ৰাজধানীত গ্ৰহণ কৰা হয় যদিও এই পৰিকল্পনাসমূহ সঁচা অৰ্থত ৰূপায়ন হ'লেহে দেশৰ প্ৰান্তীয় আৰু দূৰ্গম গাওঁসমূহত ইয়াৰ প্ৰকৃত ফল পোৱা যাব। উপ-ৰাষ্ট্ৰপতিয়ে প্ৰয়াত চৰ্দাৰ বল্লৱভাই পেটেলক সদৌ ভাৰত সেৱাৰ পিতৃ পুৰুষ বুলি বৰ্ণনা কৰি কয়, যে চৰ্দাৰ পেটেলে সেৱা আৰু একতাৰ বলেৰে দেশবাসীক একগোট কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ কয়, যে চৰ্দাৰ পেটেলৰ প্ৰচেষ্টাৰ বাবেই দেশ আজি ঔপনিবেশিক ভাৰতৰ পৰা বিকশিত ভাৰতলৈ যাত্ৰা কৰিবলৈ সমৰ্থ হৈছে। শ্ৰীৰাধাকৃষ্ণণে কয়,যে চৰকাৰৰ প্ৰচেষ্টাৰ বাবেই ভাৰতে আজি আন্তৰ্গাথনিত স্বাস্থ্য, শিক্ষা আদি খণ্ডত বিশ্বৰ মঞ্চত গৌৰৱেৰে থিয় দিব পাৰিছে।

-বাইট-(ৰাধাকৃষ্ণণে)

কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেন্সন মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত বৰ্তমান দেশৰ শাসন ব্যৱস্থাৰ আমূল পৰিৱৰ্তন হৈছে। বিগত ১২ বছৰত দেশ প্ৰশাসন কেন্দ্ৰিক শাসনৰ পৰা নাগৰিক  কেন্দ্ৰিক শাসনলৈ পৰিৱৰ্তীত হৈছে।

০০০০০০০

বীৰাংগনা সতী সাধনীৰ ৫০২ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে। সাহস, ধৈৰ্য, বীৰত্ব আৰু দেশ তথা জাতিৰ বাবে চৰম বলিদান দিয়া বীৰাংগনা সতী সাধনী চুতীয়া ৰাজ্যৰ শেষ ৰাণী আছিল। সতী সাধনীৰ বীৰত্ব, ত্যাগ আৰু স্বাভিমানক স্মৰণ কৰি গোলাঘাট জিলাৰ সৰুপথাৰ, বোকাখাত আৰু মেৰাপানীত দিনজোৰা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত সৰু পথাৰত স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনে পতাকা উত্তোলন আৰু প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে। অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন লনবল খেলুৱৈ নয়নমণি শইকীয়ালৈ ধনশিৰি ৰত্ন বঁটা আৰু সমাজ সেৱক নীলকান্ত চলিহাক বীৰপাল বঁটা প্ৰদান কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, শোভাযাত্ৰা, মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মেৰাপানীৰ তৰানিতো চুতীয়া জাতি ছাত্ৰ সন্থাই সতী সাধনী ৰংগমঞ্চত এই দিৱস পালন কৰিছে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই সতী সাধনী দিৱস উপলক্ষে মহিয়সী নাৰীগৰাকীৰ গভীৰ দেশপ্ৰেম আৰু আত্মবলিদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ডং শৰ্মাই সতী সাধনীৰ অদম্য আত্মত্যাগ আৰু আদৰ্শই সমাজক আজিও পথ প্ৰদৰ্শন কৰি আহিছে বুলি উল্লেখ কৰে।

০০০০০০০০

চিৰাং জিলাৰ ৰুণীখাটাত সংঘটিত হিংসাত্মক ঘটনা সন্দৰ্ভত  জিলা দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰাৰ পাছত পৰহিলৈ প্ৰশাসনে সাক্ষ্য আৰু জবানবন্দী দিয়াৰ বাবে দিন নিৰ্ধাৰণ কৰিছে। চিৰাং জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ সংগীতা সৰকাৰে জাৰি কৰা নিৰ্দেশ অনুসৰি ঘটনা সন্দৰ্ভত সাক্ষ্য বা জবানবন্দী দিব বিচৰা যিকোনো ব্যক্তি অথবা গোট, অনুষ্ঠান আদিয়ে অহা ২৩ এপ্ৰিলত তেওঁৰ ওচৰত জবানবন্দী দিব পাৰিব। ইচ্ছুক ব্যক্তি সকলে সেইদিনা দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজাৰ ভিতৰত ৰুণীখাটা বন সংমণ্ডলৰ কাৰ্যালয়ৰ বিপৰীতে থকা বন পৰিদৰ্শন বাংলোত অতিৰিক্ত জিলা দণ্ডাধীশগৰাকীৰ ওচৰত সাক্ষ্য প্ৰদান কৰিব পাৰিব। আনহাতে আৰক্ষী বিষয়া বিবেক ৰাজ সিঙে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে যোৱা ১৭ এপ্ৰিলত সংঘটিত অপ্ৰীতিকৰ ঘটনা সন্দৰ্ভত এই পৰ্যন্ত ২২ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০০

কাছাৰ জিলাৰ জিৰিঘাটৰ কদমতলাত ভূমি বিবাদক কেন্দ্ৰ কৰি সংঘটিত হত্যাকাণ্ডত এজন ৬০ বছৰীয়া লোকৰ মৃত্যু হয়। লুকুমিঞা লস্কৰ নামৰ লোকজনক ভূমি বিবাদৰ বাবে চাৰিগৰাকী লোকে গুলীয়াই হত্যা কৰে। মৃতকৰ পৰিয়ালে জিৰিঘাট আৰক্ষী থানাত দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই এই ঘটনাৰ সৈতে জড়িত চাৰিজন মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰে। অভিযুক্তকেইজন হৈছে জিৰিঘাট থানা এলেকাৰ চাহাৰুল হক লস্কৰ, ছাজুল ইছলাম লস্কৰ, বাবুল হক চৌধুৰী আৰু দক্ষিণ কৃষ্ণপুৰ গাঁৱৰ ছুজান আখতাৰ লস্কৰ। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

কামৰূপ জিলাৰ বকোত কালি চেৰা বিহুৰ দিনা পৰম্পৰাগত সুঁৰেৰী উৎসৱৰ আয়োজন কৰা হয়। অঞ্চলটোত ১১৪ বছৰীয়া ঐতিহ্যময় পৰম্পৰা অব্যাহত ৰাখি আয়োজন কৰা এই উৎসৱত ঘোঁৰা দৌৰ, হাতী দৌৰ আদি পৰম্পৰাগত খেল-ধেমালিৰ লগতে  জনগোষ্ঠীয় কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰা হয়। ৰাভা, বড়ো, গাৰো আদি বিভিন্ন জাতি-জনগোষ্ঠীৰ স্বকীয় কৃষ্টি-সংস্কৃতি পৰিস্ফুত হোৱা এই উৎসৱত দক্ষিণ কামৰূপৰ স্বকীয় কৃষ্টি পাৰ বাহ, হানা ঘোঁৰা নৃত্য আদিও প্ৰদৰ্শন কৰা হয়।

০০০০০০০

গোলাঘাট জিলাৰ নুমলীগড়ত চাহ জনজাতি ছাত্ৰ সন্থা আৰু স্থানীয় চাহ শ্ৰমিকসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ নুমলীগড় উপ-শাখা আৰু বাগিচা অঞ্চলৰ চাহ শ্ৰমিকসকলৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত তেওঁলোকৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দাবী উত্থাপন কৰা হয়। বিশেষকৈ চাহ বাগিচাৰ শ্ৰমিকসকলক ভূমি পট্টা প্ৰদান কৰিবলৈ তেওঁলোকে দাবী জনায়।

০০০০০০০

গোলাঘাট জিলাৰ বেঙেনাখোৱাত মাদকদ্ৰব্যত আসক্ত হৈ এজন যুৱকৰ মৃত্যু হৈছে। যুৱকজন কেইবামাহ ধৰি নিচামুক্তি কেন্দ্ৰত চিকিৎসাধীন হৈ আছিল আৰু এদিন পূৰ্বে ঘৰলৈ আহিছিল। নিশা পৰিয়ালৰ লোকে স্নানাগাৰত অচেতন অৱস্থাত যুৱকজনক উদ্ধাৰ কৰি চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে।

০০০০০০০

ৰাজ্যত পুৱাৰ ভাগত মৃদু ভূমিকম্পৰ জোঁকাৰণি অনুভূত হয়। পুৱা পাঁচ বাজি ৫৯ মিনিটত অনুভূত হোৱা ভূমিকম্পৰ ৰিখটাৰ স্কেলত প্ৰাবল্য আছিল ৫ দশমিক ২ । মণিপুৰৰ কামজঙত এই ভূমিকম্পৰ অভিকেন্দ্ৰ বুলি জানিব পৰা গৈছে। অৱশ্যে বৰ্তমানলৈকে ক্ষয়-ক্ষতিৰ তথ্য জানিব পৰা হোৱা নাই।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট টাইটানছক ৯৯ ৰানত পৰাস্ত কৰে।

০০০০০০০

**সমাপ্ত**